**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-02-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাৰ মাজত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে জিলাখনত কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ কৰে। জিলাখনৰ গড়মূৰৰ মাণিকা পথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী যোগেন মহন আৰু মাজুলীৰ বিধায়ক ভূবন গাম উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। এহেজাৰ ১৯ কোটি টকা ব্যয়েৰে এই দলংখন নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে ৩৮২ কোটি টকা ব্যয়সাপেক্ষ মাজুলী-যোৰহাট দলং সংযোগী ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্যৰো শুভাৰম্ভ কৰে। চৰকাৰে জনসাধাৰণৰ সুবিধাৰ্থে একে সময়তে দলং আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ড০ শৰ্মাই অসম মালাৰ অধীনত ৬৯৫ কোটি টকা ব্যয়েৰে নিৰ্মিত চাৰিলেনযুক্ত দুখন পকী দলং আৰু বালিচাপৰি-বঙালমৰা সংযোগী পথো মুকলি কৰে। তদুপৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰী নিবাস, চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়, দক্ষিণপাট সত্ৰ সংগ্ৰহালয় আৰু জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পও মুখ্যমন্ত্ৰীয়ে মুকলি কৰে। দুহেজাৰ ২১৮ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্পসমূহ নিৰ্মাণ কৰা হৈছে।

০০০০০

কাইলৈ বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল ধৱনি হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সন্দৰ্ভত আলোচনা কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিশ্ব ৰেডিঅ' দিৱসৰ দিনাৰ পৰাই ইয়াৰ পডকাষ্ট আৰম্ভ কৰিব। কাইলৈ পুৱা ৯ বাজি ২০ মিনিটত প্ৰচাৰিত হ'বলগীয়া আকাশবাণী গুৱাহাটীৰ পডকাষ্টত ভাগ ল'ব কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই।

কাইলৈ বিয়লি ৩ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সন্ধিয়া ৫ বাজি কুৰি মিনিটত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড০ ৰূপম ভট্টাচাৰ্যই ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব।

আনহাতে কাইলৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ কলম্বো কাৰ্য্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু

সাংবাদিকতা বিভাগৰ অধ্যাপক ড০ অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ বাণীবদ্ধ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ড০ দত্তৰ এই সাক্ষাৎকাৰ পৰহিলৈ ১৪ ফেব্ৰুৱাৰীৰ নিশা ৮বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

সমগ্ৰ শিক্ষা মৰিগাঁৱৰ উদ্যোগত আজি মৰিগাওঁ জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত অনুষ্ঠিত এটা অনুষ্ঠানত জিলাখনৰ ১৪২ খন  বিদ্যালয়ৰ পৰিচালনা সমিতিক বঁটা প্ৰদান কৰা হয়। জিলাখনৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ মাজত নিৰ্বাচিত ১৪২ খন বিদ্যালয়ৰ পৰিচালনা সমিতিক শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনাৰ বঁটা প্ৰদান কৰে জিলাখনৰ অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মায়। ভাষণ প্ৰসংগত তেওঁ কয় যে চৰকাৰী বিদ্যালয়সমূহত থকা বিভিন্ন সুবিধা আৰু আৱণ্টিত পুজিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে বিদালয়ৰ সামগ্ৰিক পৰিবেশ উন্নত কৰা উচিত। মৰিগাওঁ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক ড০ অপূৰ্ব ঠাকুৰীয়াই বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোকপাত কৰে।

০০০০০

মানকাচৰ জিলা প্ৰশাসনে আজি বাউছকাটা অঞ্চলত অবৈধভাৱে চলি থকা ভালেকেইটা ইটাভাটা উচ্ছেদ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে জিলা প্ৰশাসনে ইয়াৰ পূৰ্বে এই অবৈধ ইটাভাটাসমূহ বন্ধ কৰিবলৈ জাননী জাৰি কৰিছিল। কিন্তু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ইটাভাটাসমূহ বন্ধ নকৰাত জিলা প্ৰশাসনে আজি অভিযান চলাই ৫টা ইটাভাটা উচ্ছেদ কৰে। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে অবৈধভাৱে চলি থকা আন ইটাভাটাসমূহ উচ্ছেদ কৰা হ'ব বুলি মানকাচৰৰ ৰাজহ চক্ৰ বিষয়াই প্ৰকাশ কৰিছে।

০০০০০

ডিব্ৰুগড়ৰ খলিহামাৰীত থকা অসম চাহ মজদুৰ সংঘৰ ডিব্ৰুগড় শাখা সভাগৃহত জিলাখনৰ ৮০ খন চাহ বাগিছাৰ পৰা অহা শ্ৰমিকসকলে সভা অনুষ্ঠিত কৰে। বিগত বহুবছৰ ধৰি চাহ শ্ৰমিকসকলে বাগিছাৰ আবাসীক এলেকাত দিন কটাবলগীয়া হৈছিল যদিও বৰ্তমান মুখ্যমন্ত্ৰীয়ে চাহ  শ্ৰমিকসকলক ভূমি পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। সেয়েহে এই সভাৰ জৰিয়তে শ্ৰমিকসকলে মুখ্যমন্ত্ৰীলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰিছে।

০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত ভাৰতে -নামিবিয়াক জয়ৰ বাবে ২১০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ভাৰতে প্ৰথমে বেটিং কৰি ২০ অভাৰত  ৯ উইকেটৰ বিনিময়ত ২০৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই বাতৰি যুগুত কৰাৰ পৰলৈকে ৫ অভাৰত এটা উইকেট হেৰুৱাই ৪০  ৰান সংগ্ৰহ কৰে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**